প্ৰচ্ছদ কথা

# অসম আন্দোলনলৈ উভতি চাওঁ

কৃষ্ণগোপাল ভট্টাচাৰ্য্য

**● অসম আন্দোলন পুৰণা হ'ল। আমি নিজেও বহু কথা পাহৰিলোঁ। লাহে লাহে সকলো কথাই হেৰাই যাব। কিহৰ বাবে ছবছৰ ধৰি ৰাইজ ৰাজপথত আছিল সেয়াও পাহৰণিৰ গৰ্ভত সোমাব ধৰিছে। হয়তো এসময়ত এই কথাই কেৱল মনত থাকিব গৈ যে 'অসম আন্দোলনে ল'ৰাবিলাকৰ মূৰ খালে।' কেনেকৈ, কিয় — এইবোৰ প্ৰশ্নও হেৰাই যাব।●**

কথাবিলাক এতিয়া বহুত পুৰণি হ'ল। অতীত ৰোমন্থনে মনত সুখ আৰু দুখ দুয়োটাই দিয়ে। পিছে অসম আন্দোলনৰ কথা মনলৈ আহিলে কেৱল দুখহে পোৱা যায়। ইয়াৰ একমাত্ৰ কাৰণ হ'ল কেইবাবছৰ ধৰি হোৱা আন্দোলনৰ যি প্ৰধান উদ্দেশ্য আছিল, সেয়া মুঠেও পূৰণ নহ'ল। সেই সময়ত মঙলদৈ লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে হোৱা ভোটাৰ তালিকাৰ সংশোধনীৰ সময়ত অসম পুলিচৰ তৎপৰতাত বহুসংখ্যক সন্দেহযুক্ত বাংলাদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰপৰা বাদ দিয়া হৈছিল। সেই সময়ৰ ভাৰতবৰ্ষৰ মুখ্য নিৰ্বাচনী আয়ুক্তই নিজে ৰাজ্যিক নিৰ্বাচনী বিষয়াসকলৰ সভাত বিষয়টোৰ গুৰুত্ব উপস্থাপন কৰিছিল আৰু কৈছিল যে কিছুমান ৰাজনৈতিক দলৰ প্ৰত্যক্ষ সহযোগিতাত অসমৰ ভোটাৰ তালিকাসমূহত লাখ লাখ অবৈধ ভোটাৰৰ অনুপ্ৰৱেশ ঘটিছে। এই বক্তব্যই অসমত গভীৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল, কিন্তু এই বিষয়ত এটা আন্দোলনৰ কথা কোনেও সেই মুহূৰ্তত ভবা নাছিল। একমাত্ৰ ব্যতিক্ৰম আছিল প্ৰয়াত নিবাৰণ বৰা। বৰাই উচ্পিচাই আছিল কিবা এটা কৰিব লাগে। কিছুদিনৰ আগতে গঠন হোৱা পি এল পিৰ সভাপতি আছিল নিবাৰণ বৰা। দলটো সংগঠিত হ'বলৈ বহু বাকী। তথাপি নিবাৰণ বৰাই অতুল বৰা আৰু পৰীন্দ্ৰ ডেকাৰে সৈতে এটা জনজাগৰণ সৃষ্টিৰ বাবে কাম আৰম্ভ কৰিলে। প্ৰতিবাদ দিবস, বিবৃতি, এনে ধৰণেৰে আন্দোলনৰ এক পৰিৱেশ সৃষ্টিৰ বাবে প্ৰচেষ্টা আৰম্ভ হ'ল। সকলোৰে ইচ্ছা — আছুক আন্দোলনটোৰ সৈতে জড়িত কৰিব নোৱাৰিলে জনজাগৰণ সৃষ্টি কৰা সম্ভৱ নহয়। কিন্তু আছুক জড়িত কৰাটো 'লাখটকীয়া' সমস্যা আছিল।



নিশকতীয়া অৱস্থাৰপৰা আছু পুনৰ তেতিয়া গা দাঙি উঠিছে। ১৯৭৪ চনৰপৰা খাদ্য-আন্দোলন আৰু একৈছ দফীয়া দাবী চনদৰ আধাৰত গঢ়িব বিচৰা আৰ্থ-সামাজিক আন্দোলন, চৰকাৰী নিৰ্যাতন আৰু ১৯৭৫ চনৰপৰা ইন্দিৰা গান্ধীৰ জৰুৰী অৱস্থাই আছুৰ কঁকাল ভাঙিছিল। দেশৰ আন ঠাইত জৰুৰী অৱস্থা প্ৰয়োগ হৈছিল। ইন্দিৰা গান্ধীৰ প্ৰতিদ্বন্দ্বী বিৰোধী দলৰ বিৰুদ্ধে। অসমত জৰুৰী অৱস্থাৰ প্ৰধান বলি হৈছিল আছু আৰু ইয়াৰ নেতৃবৰ্গ। কাৰণ অসমত শাসকীয় কংগ্ৰেছ দলৰ প্ৰধান বিৰোধী হিচাপে সদায় গণ্য হৈছিল আছুহে (আজিও ইয়াৰ পৰিৱৰ্তন হোৱা নাই)। অসমত বহু কেইজন আছুৰ নেতা কাৰাগাৰলৈ যাব লগা হৈছিল আৰু বাহিৰত থকা সকলে বাধ্য হৈ সক্ৰিয় ভূমিকাৰপৰা আঁতৰি থাকিব লগা হৈছিল। জৰুৰী অৱস্থা শেষ হোৱাৰ পিছত লাহে লাহে সংগঠিত হোৱাৰ দিশত আছু আগ বাঢ়িছিল। একৈছ দফীয়া দাবী চনদ আছিলেই — কিন্তু তাত বিদেশী অনুপ্ৰৱেশকাৰীৰ সম্পৰ্কত এটাও বাক্য নাছিল। এটা অন্যতম দাবী আছিল 'বহিৰাগত'ৰ প্ৰব্ৰজন ৰোধ কৰাৰ বাবে। 'বহিৰাগত' শব্দই প্ৰধানকৈ অন্যান্য ৰাজ্যৰপৰা চাকৰি-বাকৰি, ব্যৱসায় আদিৰ বাবে অসমলৈ অহা লোকসকলকহে বুজাইছিল। আচলতে অসমত 'বহুত বিদেশী অনুপ্ৰৱেশকাৰী আছে'। সেই কথাটোৱে তেতিয়ালৈকে আমাৰ মনত প্ৰভাৱ বিস্তাৰ কৰা নাছিল।

ধীৰে ধীৰে সকলো কথা ফৰিং-ফুটা হ'ল। আছু ওলাই আহিল নেতৃত্ব দিবলৈ, গণ সংগ্ৰাম পৰিষদ গঠিত হ'ল আছুৰ অন্যতম অংশীদাৰ হিচাপে। চুৰুক-চাৰাককৈ আৰম্ভ হোৱা আন্দোলনটোৱে গতি পালে। ইমান দিনে নগাঁৱতে থকা প্ৰফুল্ল কুমাৰ মহন্ত আছুৰ আৰু আন্দোলনৰ নেতৃত্ব দিয়াৰ বাবে গুৱাহাটী পালেহি। প্ৰায় ছবছৰ ধৰি আন্দোলন হ'ল। বহুজনে প্ৰাণ আহুতি দিলে। বুকুৰ তেজেৰে অসমৰ দাবী ৰাজপথত লিখি দিলে। নিৰ্যাতনৰো সীমা নাছিল। তথাপিও ৰাইজ পিছ-হোঁহকা নাছিল — সকলোৰে দৃষ্টি আছু আৰু গণ সংগ্ৰাম পৰিষদৰ প্ৰতি। বহুতৰ ভাগৰো লাগিল। যেনে-তেনে প্ৰকাৰে এটা সন্ধি কৰিবলৈ কিছুমান মানুহে (উপদেষ্টা-পৰামৰ্শদাতা) হেঁচা দিবলৈ ধৰিলে। ভিতৰুৱাকৈ আলোচনা হ'ল। উৰা-জাহাজত কেন্দ্ৰীয় চৰকাৰৰ খৰচত গুৱাহাটীলৈ ঘনাই উৰা মাৰিলে কিছুমান মানুহ। চৰকাৰৰ আতিথ্য গ্ৰহণ কৰিলে। সন্ধি এটা কৰাৰ বাবে পৰিৱেশ ৰচনা হ'ল। কি কি আলোচনা হ'ল, সৰহখিনিৰে ভু নাপালে ৰাইজে। ভৃগু-প্ৰফুল্লই কিবা এটা কৰিব সেই বিশ্বাস তেতিয়াও আছিল। অৱশেষত ১৯৮৫ ৰ ১৫ আগষ্টত সেই চুক্তিখন হ'ল — যিখন প্ৰকৃততেই 'অসম' — অসমে একো নাপালে, ভাৰত চৰকাৰৰ সকলোখিনি ইচ্ছাই পূৰণ হ'ল।

'অসম' চুক্তিয়ে প্ৰকৃততে বিদেশী অনুপ্ৰৱেশকাৰীখিনিক নিৰাপত্তাহে দিলে। তেতিয়া অসমত যিমান বিদেশী অনুপ্ৰৱেশকাৰী আছিল, চুক্তিৰ পিছত আৰু বেছি হ'ল। এজনো নগ'ল, হেজাৰজন নতুনকৈ সোমাল। আন্দোলনৰ কথা মনলৈ আহিলে, এই কথাটোৱেই প্ৰথম খুন্দা মাৰে বুকুত আৰু মন দুখেৰে ভৰি পৰে। কি আৱেগ আৰু প্ৰত্যয়েৰে ছবছৰ কাল ধৰি ৰাইজ আন্দোলনত জঁপিয়াই পৰিছিল, তাৰ এঅনাও পূৰ নহ'ল। অসমৰ মানুহৰ কপালত এয়াই লিখা আছিল নে? আন্দোলনৰ নেতৃবৰ্গৰ হাতত শাসনৰ বাঘজৰীও আহি পৰিল এবাৰ নহয় দুবাৰ। কিন্তু কি হ'ল। কিমানজন বাংলাদেশী ধৰা হ'ল, কিমানক বহিস্কাৰ কৰা হ'ল? এই সকলোবোৰ কথাই দেখোন ফুটুকাৰ ফেন হ'ল। এতিয়া ৰাজনৈতিক দলবিলাকে বিদেশী অনুপ্ৰৱেশকাৰীৰ কথা মুখলৈ নানে (ক'লে ভোট যাব)। এইবোৰ উদ্দেশ্য আগত ৰাখি যিবোৰ দল হৈছিল, সেইবোৰো চুপ। আটাইকে ভোট লাগে। কিবা কাৰণত বিদেশী অনুপ্ৰৱেশকাৰীৰ বিষয়টোৱে গুৰুত্ব হেৰুৱাইছে আছুৰ মজিয়াতো।

এটা সময় আছিল, যেতিয়া অসমৰ যুৱ উচ্ছৃংখলাত আৰু তাৰ লগত জড়িত প্ৰতিটো বিষয়ৰ বাবে অসম আন্দোলনক দোষ দিয়াটো বহুতৰ বাবে এটা ডাঙৰ প্ৰৱণতাত পৰিণত হৈছিল। পৰীক্ষাত নকল হৈছে, শিক্ষকক প্ৰহাৰ কৰিছে অথবা এনেকুৱা প্ৰতিটো ঘটনাৰ বাবে জগৰীয়া অসম আন্দোলন। এয়া অতিশয় দুৰ্ভাগ্যজনক। যিসকল লোকে প্ৰত্যক্ষ বা পৰোক্ষভাৱে আন্দোলনটোৰ বিৰোধিতা কৰিছিল আৰু এতিয়াও সেই বিৰোধী শিবিৰতে আছে; তেওঁলোকে অসম আন্দোলনটোক হেয় প্ৰতিপন্ন কৰাৰ বাবে যিকোনো আহিলা বিচাৰি ফুৰে। বিভিন্ন মুখাৰ আঁৰত এইসকল লোক এতিয়াও সক্ৰিয়। কোনোবাই কিবা বেয়া কাম কৰিলে, তাৰ বাবে সকলো দোষ অসম আন্দোলনৰ দুৱাৰদলিত এৰি থৈ যোৱাটো সমীচীন নে? সন্দেহ নাই যে অসম আন্দোলনৰ সময়ছোৱাত আন্দোলনটোৰ যেনেদৰে যুক্তিনিষ্ঠ সমালোচনা হ'ব লাগিছিল, সেয়া হোৱা নাছিল। আন্দোলনটোৰ লগত জড়িত নেতাসকলৰ কাৰ্যকলাপ আৰু তেওঁলোকৰ পিছলৈ দিল্লীৰ লগত গঢ়ি উঠা হলি-গলিৰ বিষয়েও বৰকৈ প্ৰকাশ পোৱা নাছিল। বাতৰি কাকত কম আছিল। 'দৈনিক অসম' কাকতে আন্দোলনটোক জন-আন্দোলনলৈ ৰূপান্তৰ কৰাত একক আৰু অগ্ৰণী ভূমিকা লৈছিল। সেই বাবেই বোধহয় আন্দোলনৰ এক সংখ্যক নেতাৰ নেতিবাচক ৰূপটো 'ফ'কাচ' লৈ আনিব বিচৰা নাছিল, কাৰণ তাৰ ফলত সমগ্ৰ আন্দোলনটো বাধাপ্ৰাপ্ত হোৱাৰ ভয় আছিল। গঠনমুলক সমালোচনাৰ অভাৱ অসম আন্দোলনৰ সময়খিনিৰ এটা দুৰ্বল দিশ আছিল আৰু ইয়াৰ ফলত আন্দোলনৰ আগে-পিছে কিছুমান নেতাই ওভটগোৰে নাচিবলৈ অৱকাশ পাইছিল। আৰু তাৰেই গইনা লৈ পিছত যি কোনো বেয়া কথা আৰু অঘটনৰ বাবে অসম আন্দোলনক দোষাৰোপ কৰাটো এটা ফেশ্বনত পৰিণত হৈছিল। আন্দোলনটোৱে ল'ৰাহঁতৰ মূৰ খালে — এই উক্তি বহুবাৰ আমি নিজেও হজম কৰিব লগা হৈছে।

কেতিয়াবা সেয়ে ভাব হয়, আন্দোলনটো কিজানি নোহোৱা হ'লেই ভাল আছিল। তেনেহ'লে ধন-জনৰ ইমান হানিও নহ'লহেঁতেন। জন-গাঁথনিত বিভাজন আৰু অবিশ্বাস বিয়পোৱাৰ বাবে ইমান শিখণ্ডীৰো সৃষ্টি নহ'লহেঁতেন। কিছুমান অকৰ্মণ্য মানুহক আনি নেতা হিচাপে পাবলগাও নহ'লহেঁতেন। হোৱাটো নোহোৱা কৰিব নোৱাৰি। এই সমূহ নেতিবাচক দিশৰ মাজতে বহু আশাব্যঞ্জক কথাও সোমাই আছে অসম আন্দোলনৰ মাজত। কিন্তু এইবোৰ দিশ পোহৰলৈ কোন আনিব? পামনে আমি এনে কিছু নিৰপেক্ষ গৱেষক, যিসকলে সেই দুৰ্যোগময় অথচ বহু সম্ভাৱনাৰ স্বাক্ষৰ বহন কৰা ছটা বছৰৰ প্ৰকৃত ইতিহাস লিপিবদ্ধ কৰিব? সেইসময়ৰ প্ৰতিজন নেতা, প্ৰত্যেক সংগঠনৰ এক নিৰ্মোহ বিশ্লেষণ দাঙি ধৰিব? এসময়ত ভবা হৈছিল যে ছবছৰীয়া আন্দোলনৰ এখন তথ্যপুৰ্ণ নথি প্ৰস্তুত কৰাৰ গুৰু দায়িত্ব আছুৱে গ্ৰহণ কৰিব। কিন্তু সেই আশা কাৰ্যকৰী নহ'ল। যি এখন আংশিক গৱেষণা হৈছে (অসমৰ ভিতৰে-বাহিৰে), সেইবোৰ পক্ষপাত মুক্ত বুলি ক'ব নোৱাৰি। যদি সেইসময়ৰ মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে হোৱা কথা-বতৰা, সাক্ষাৎকাৰ আদিৰ ওপৰত ভিত্তি কৰিয়েই আন্দোলনটোৰ এখন ছবি দাঙি ধৰিব বিচৰা হয়, সেই ছবি চাবপৰা বিধৰ হ'বনে?

অসম আন্দোলন পুৰণা হ'ল। আমি নিজেও বহু কথা পাহৰিলোঁ। লাহে লাহে সকলো কথাই হেৰাই যাব। কিহৰ বাবে ছবছৰ ধৰি ৰাইজ ৰাজপথত আছিল সেয়াও পাহৰণিৰ গৰ্ভত সোমাব ধৰিছে। হয়তো এসময়ত এই কথাই কেৱল মনত থাকিব গৈ যে 'অসম আন্দোলনে ল'ৰাবিলাকৰ মূৰ খালে।' কেনেকৈ, কিয় — এইবোৰ প্ৰশ্নও হেৰাই যাব।●